# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-07-2024
**Time :** 17-15 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - - -

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ প্ৰথম বছৰৰ কাৰ্যকালৰ ৭৫টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলিত ৰূপ WINGS TO OUR HOPES-VOLUME-1 গ্ৰন্থখন কাইলৈ নতুন দিল্লীত মুকলি কৰা হ'ব। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত ই-বুকখন উন্মোচন কৰিব। কেন্দ্ৰীয় প্ৰকাশন বিভাগে হিন্দী আৰু ইংৰাজী ভাষাত ই-বুকখন প্ৰকাশ কৰি উলিয়াইছে।

ooooo

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে অহা ২১ জুলাইত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। এই বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো পক্ষৰ পৰা সহযোগিতা কামনা কৰিব। উল্লেখযোগ্য যে বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব আৰু ২৩ জুলাইত সদনত কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

ooooo

দেশত বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা সংস্থাই চলোৱা জৰীপ অনুসৰি অসমে বাল্য বিবাহ ৰোধৰ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত শীৰ্ষস্থানৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে। ইণ্ডিয়া চাইল্ড প্ৰ'টেকচন আৰু বাল্য বিবাহ মুক্ত ভাৰত নামৰ সংস্থা দুটাৰ সমীক্ষা অনুসৰি অসম চৰকাৰে লোৱা পদক্ষেপৰ ফলত ৮১ শতাংশ বাল্য বিবাহ ৰোধ হৈছে। দেশৰ ভিতৰতে আদৰ্শ দাঙি ধৰা অসমৰ আৰ্হি গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অন্য ৰাজসমূহকো আহ্বান জনাইছে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ লোৱা কঠোৰ আইনী পদক্ষেপৰ বাবে বাল্য বিবাহ হ্ৰাস পোৱা বুলি সমীক্ষাত প্ৰকাশ পাইছে। সমীক্ষাৰ তথ্য অনুসৰি আজি নতুন দিল্লীত প্ৰকাশিত টুৱাৰ্ডছ জাষ্টিছ শীৰ্ষক প্ৰতিবেদনত অসমৰ বাল্য বিবাহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ নীতি প্ৰশংসা কৰা হয়। বাল্য বিবাহ মুক্ত ভাৰতৰ প্ৰতিষ্ঠাপক ভূৱন ৰিবু আৰু ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা সংস্থাৰ অধ্যক্ষ প্ৰিয়ংক কাননগোয়ে এই প্ৰতিবেদন উন্মোচন কৰি সমগ্ৰ দেশৰ ভিতৰতে অসমত ২০২১-২২ চনৰ তুলনাত ২৩-২৪ বৰ্ষত ৰাজ্যখনত ৮১ শতাংশ বাল্য বিবাহ হ্ৰাস পোৱা বুলি প্ৰকাশ কৰে। প্ৰতিবেদনৰ তথ্য অনুসৰি ৰাজ্যখনৰ গ্ৰামাঞ্চলত ২০২১-২২ বৰ্ষত বাল্য বিবাহৰ ঘটনা ৩ হেজাৰ ২২৫ টা পৰা ২০২৪ চনত ৬২৭ টালৈ হ্ৰাস পাইছে। সমগ্ৰ দেশত প্ৰতি মিনিটত তিনিখনকৈ বাল্য বিবাহ সম্পন্ন হৈছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে।

ooooo

দেশৰ বিভিন্ন অঞ্চলত আজি আশুৰা-ই-মহৰম ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা হৈছে। কাৰবালাত সত্য আৰু ন্যায়ৰ হকে প্ৰাণ আহুতি দিয়া পয়গম্বৰ মহম্মদৰ নাতিয়েক হজৰত ইমাম হুছেইন আৰু তেওঁৰ সহযোগীসকলৰ স্মৃতিত এই পৰ্ব পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ দেশতে তাজিয়া সমদল উলিওৱা হয়। কাৰবালাৰ শ্বহীদসকলৰ সৰ্বোচ্চ ত্যাগৰ প্ৰতি আলোকপাত কৰি ধৰ্মীয় সভা আৰু মজলিছৰো আয়োজন কৰা হয়।

ৰাজ্যৰ ভিন ভিন প্ৰান্ততো শান্তিপূৰ্ণভাৱে মহৰম উদযাপন কৰা হয়। কৰিমগঞ্জ জিলাত মহৰম উপলক্ষে বদৰপুৰ চৌমাথাত পথচাৰীক শীতল খোৱাপানী বিতৰণ কৰা হয়।

০০০০০

দৰং জিলা স্বাস্থ্য বিভাগে ৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছে। ৰাষ্ট্ৰীয় গুণগত মান নিশ্চিতকৰণ কাৰ্যসূচীৰ অধীনত জিলাখনৰ তিনিটা আয়ুষ্মান আৰোগ্য মন্দিৰে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছে। এই বিশেষ স্বীকৃতি লাভ কৰা আৰোগ্য মন্দিৰ তিনিটা হৈছে- পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত শালিকাঝাৰ আয়ুষ্মান আৰোগ্য মন্দিৰ, ছিপাঝাৰ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত সানোৱা আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ব্যাসপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰ। উল্লেখযোগ্য যে এই স্বীকৃতি লাভৰ বাবে স্বাস্থ্যকেন্দ্ৰ কেইটাত প্ৰয়োজনীয় অন্তিম পৰ্যায়ৰ মূল্যায়ন যোৱা মাহত সম্পন্ন হৈছিল। নেচনেল হেল্থ ছিষ্টেম ৰিচাৰ্ছ চেণ্টাৰৰ মূল্যায়নকাৰী দলে আহি স্বাস্থ্যকেন্দ্ৰ তিনিটা পৰ্যবেক্ষণ কৰিছিল। স্বাস্থ্যকেন্দ্ৰ কেইটাই আগবঢ়োৱা সেৱা আৰু গুণগত মানৰ বাবে অন্তিম পৰ্যায়ৰ মূল্যায়নত শালিকাঝাৰ আয়ুষ্মান আৰোগ্য মন্দিৰে ৯০ দশমিক ৭-৫ শতাংশ, সানোৱা আয়ুষ্মান আৰোগ্য মন্দিৰে ৯০ দশমিক ০-৪ শতাংশ আৰু ব্যাসপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰে ৮৪ দশমিক ০-৪ শতাংশ নম্বৰ লাভ কৰি এই সন্মান লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ সদৰ  হাটশিঙিমাৰীৰ সমীপৰ মালিৰ আলগা গাওঁ পঞ্চায়তৰ অন্তৰ্গত দুখন গাঁওত ব্ৰহ্মপুত্ৰৰ খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। খহনীয়াৰ ফলত কেইবাটাও পৰিয়ালৰ বাসগৃহ আৰু কেইবাশ বিঘা কৃষিভূমি নদীৰ বুকুত জাহ গৈছে। তদুপৰি কেইবাটাও ধৰ্মীয় প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠানৰ লগতে জলজীৱন মিছন আঁচনিৰ পানী যোগানৰ পাইপসমূহো বানত বুৰ গৈছে। আনহাতে, খহনীয়াৰ ফলত নেৱাজেছপুৰ আৰু বৰ্মনপাৰা গাওঁ দুখন নিশ্চিহ্ন হোৱাৰ আশংকাই দেখা দিছে। স্থানীয় ৰাইজে খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে।

০০০০০

সমগ্ৰ শিক্ষা অভিযান তথা মৰিগাঁও জিলা শিক্ষা বিভাগৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা সন্দৰ্ভত প্ৰশিক্ষণ আৰু কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ১৫২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। কৰ্মশালাখনত নতুন ৰাষ্ট্ৰীয় নীতিৰ আধাৰত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত শিক্ষকসকলৰ কৰণীয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

সমাপ্ত